**এল. আৰ. এছ.-ৰ জৰিয়তে কে. পি. এ. ভেল্লয়াপ্পা নাডাৰ (মৃত)**

**বনাম**

**ভাগীৰথী আম্মল আৰু অন্যান্য**

**৬ নৱেম্বৰ, ১৯৯৬**

**[ ন্যায়াধীশ কে. ৰামাস্বামী আৰু ন্যায়াধীশ জি.বি. পাট্টানায়ক ]**

অংশীদাৰিত্ব আইন, ১৯৩২ :

ধাৰা ৪-অংশীদাৰিত্ব-হিচাপ ভংগ আৰু প্ৰদানৰ বাবে মোৰ্কদমা-১৯৫৪ চনৰ মাৰ্চ মাহত এক অংশীদাৰিত্ব গঠন কৰা হয়, ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহত এই অংশীদাৰিত্বৰ ঠাইত নতুন অংশীদাৰিত্ব গঠন কৰা হয়, আৰু দুজন নতুন অংশীদাৰ অন্তৰ্ভুক্ত কৰা হয়, পূৰ্বৰ অংশীদাৰসকলৰ এজনে (আপীলকাৰী) বাৰ্ধক্য জনিত কাৰণৰ বাবে অংশীদাৰিত্বৰ পৰা ওলাই আহে-১৯৭২ চনৰ মে' মাহত অংশীদাৰ সকলৰ মাজৰ এজন সদস্যৰ মৃত্যু হয়-১৯৭৩ চনত প্ৰতিবাদীসকলে অংশীদাৰিত্ব ভংগ আৰু আপীলকাৰীয়ে হিচাপ প্ৰদানৰ বাবে মোৰ্কদমা দাখিল কৰে-আপীলকাৰীয়ে যুক্তি দিয়ে যে যিহেতু তেওঁ অংশীদাৰিত্বৰ পৰা ওলাই আহিছে আৰু ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহত নতুন অংশীদাৰিত্ব গঠন কৰা হৈছে, সেয়েহে তেওঁ হিচাপ দিবলৈ দায়বদ্ধ নহয়, এই আবেদন বিচাৰ আদালতে মানি লৈছিল যদিও উচ্চ ন্যায়ালয়ে নাকচ কৰে- মতপোষণ কৰা হয় যে ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত এই অংশীদাৰিত্ব পাৰস্পৰিকভাৱে ভংগ কৰা হয় আৰু সেই তাৰিখতে প্ৰদৰ্শক বি-১ৰ অধীনত নতুন অংশীদাৰিত্ব আৰম্ভ হয়, আপীলকাৰী এই নতুন অংশীদাৰিত্বৰ অংশীদাৰ নাছিল, তাৰ পিছত চলোৱা ব্যৱসায়ৰ পৰা তেওঁ কোনো লাভ পোৱা বুলিও দাবী কৰা হোৱা নাছিল-

উষ্চ ন্যায়ালয়ে আপীলকাৰীক হিচাপ প্ৰদানৰ বাবে জবাবদিহি কৰিব নালাগিছিল।

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: দেৱানী আপীল নং-২৫৬৬/১৯৮০

মাদ্ৰাজ উষ্চ ন্যায়ালয়ৰ ১৯৭৬ চনৰ আপীল নং ১৮০ ৰ ৩.৪.৮.০ তাৰিখে প্ৰদান কৰা ৰায় আৰু ডিক্ৰীৰ পৰা

আপীলকাৰীৰ হৈ এছ বালাকৃষ্ণন, এছ প্ৰসাদ আৰু ৰেমণ্ড।

উত্তৰদাতাসকলৰ হৈ এ.টি.এম.সম্পাথ ।

ন্যায়ালয়ে তলত দিয়া আদেশ প্ৰদান কৰে:

Substitution ৰ অনুমতি প্ৰদান কৰা হ'ল।

প্ৰত্যাহ্বান জনোৱা এই সিদ্ধান্তটো হৈছে ১৯৮০ চনৰ ৩ এপ্ৰিলত মাদ্ৰাজ উষ্চ ন্যায়ালয়ে আপীল নং ১৮০/৭৬ ত খাৰিজ কৰা ৰায়দান। বিশেষ অনুমতি লাভ কৰা এই আপীলটো উত্তৰদাতাই ভংগৰ বাবে আৰু আপীলকাৰীয়ে হিচাপ প্ৰদান কৰাৰ মাজত সংঘটিত হোৱা এক কাৰ্য্যৰ সৈতে জড়িত। পাপ্পু ৰাজাৰ পুত্ৰ এন. এ. পি. আলাগিৰি ৰাজা আৰু ৰাজা ৰামালিংগা ৰাজা, দুজন ভাতৃ আৰু আবেদনকাৰী কে. পি. এ. ভেল্লায়াপ্পা নাডাৰ, যি এতিয়া মৃত, ১৯৪৩ চনত প্ৰতিষ্ঠা হোৱা ব্যৱসায় "এন. এ. পাপ্পুৰাজা ছন্স"-ৰ অংশীদাৰ আছিল। ১৯৫৪ চনৰ ৩১ মাৰ্চ তাৰিখে

অংশীদাৰিত্ব চুক্তিখন, প্ৰদৰ্শক এ–২ প্ৰথম নথিভুক্ত কৰা হৈছিল। ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীত দ্বিতীয়টো অংশীদাৰিত্ব, প্ৰদৰ্শক বি–১ৰ স্থাপন কৰা হয়, য'ত প্ৰাৰম্ভিক দুজন অংশীদাৰ আৰু তেওঁলোকৰ পুত্ৰক অন্তৰ্ভুক্ত কৰা হয়, মুঠ চাৰিজন ব্যক্তি। এই অংশীদাৰিত্বই একেটা স্থানতে একেটা ব্যৱসায় পৰিচালনা কৰিছিল আৰু প্ৰতিষ্ঠানৰ পঞ্জীয়কৰ সৈতে একেটা পঞ্জীয়ন নম্বৰ ৰাখিছিল। ১৯৭২ চনৰ ৩১ মে'ত ৰাজা ৰামলিংগ ৰাজাৰ মৃত্যু হয়।ইয়াৰ পিছত, উত্তৰদাতাই অংশীদাৰিত্ব প্ৰতিষ্ঠানটো ভংগ কৰাৰ বাবে আৰু আপীলকাৰীয়ে ১৯৭৩ চনৰ ২৬ এপ্ৰিলত হিচাপ প্ৰদানৰ বাবে গোচৰ দাখিল কৰে। আপীলকাৰীৰ যুক্তি হ'ল যে, বাৰ্ধক্যৰ বাবে, ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত ৭০ বছৰ, এটা পাৰস্পৰিক চুক্তি থকা অংশীদাৰিত্ব ব্যৱসায়ৰ পৰা আঁতৰি আহিছিল আৰু সকলো সম্পত্তি আৰু দায়বদ্ধতা বাকী থকা অংশীদাৰ দুজনৰ হাতত এৰি দিছিল। দুয়োপক্ষই এই কথাত সহমতত উপনীত হৈছিল যে তেওঁৰ অংশৰ ভিতৰত পৰা যিকোনো দায়বদ্ধতাৰ বিপৰীতে goodwill ৰ তেওঁৰ অংশটো তেওঁৰ প্ৰাপ্যৰ পৰা কৰ্তন কৰা হ'ব। প্ৰদৰ্শক এ–২ৰ অধীনত স্থাপন কৰা অংশীদাৰিত্ব ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত পাৰস্পৰিকভাৱে ভংগ কৰা হয় আৰু অংশীদাৰসকলে নিজৰ একাউন্ট নিষ্পত্তি কৰে। ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীত প্ৰদৰ্শক বি–১ৰ অধীনত নতুন অংশীদাৰিত্ব আৰম্ভ হয়। যিহেতু, ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীৰ পৰা নতুন অংশীদাৰিত্বৰ তেওঁ সদস্য নাছিল, সেয়েহে প্ৰদৰ্শক

বি-১ৰ অধীনৰ নতুন অংশীদাৰী প্ৰতিষ্ঠানটোৰ কোনো একাউন্ট প্ৰদান কৰিবলৈ বা কোনো লোকচান বহন কৰিবলৈ তেওঁ বাধ্য নহয়। বিচাৰ আদালতে এই তথ্যসমূহ তলত দিয়া ধৰণে লিপিবদ্ধ কৰিছিল :

"পাপ্পুৰাজা এণ্ড ছন্স"-ৰ ব্যৱসায়ৰ goodwill, বিলাসম, আৰু স্থায়ী সম্পত্তি সম্পৰ্কে আলোচনা কৰা হৈছে। সামৰণিত এই সকলোবোৰ তথ্য বিবেচনা কৰি এই কথাত সহমতত উপনীত হোৱা যায় যে (১)প্ৰথম বাদী আৰু তেওঁৰ ভাতৃয়ে ব্যৱসায়টো পৰিচালনা কৰিব;, আৰু (২) বিবাদীৰ ডেবিট হিচাপে ধৰা ধনৰাশিক clear কৰা বুলি গণ্য কৰা উচিত, কিয়নো সেই ধনক বিবাদীৰ goodwill ৰ অংশ আৰু পূৰ্বতে উল্লেখ কৰা দুবছৰৰ ভিতৰত উপাৰ্জন কৰা লাভৰ প্ৰকৃত অংশৰ বিপৰীতে  প্ৰয়োগ কৰা হৈছিল। সকলো পক্ষৰ মাজত হোৱা এই পাৰস্পৰিক বুজাবুজিৰ ভিত্তিত ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত এই প্ৰতিষ্ঠানটো ভংগ কৰা হয়। প্ৰথমজন বাদী, তেওঁৰ ভাতৃ আৰু পৰিয়ালৰ আন সদস্যসকলে পূৰ্বতে উল্লেখ কৰা চুক্তি অনুসৰি ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীত একেটা স্থানতে, একেটা বিলাসমৰ অধীনত আৰু একেটা পঞ্জীয়ন নম্বৰেৰে ব্যৱসায় আৰম্ভ কৰিছিল। সেয়েহে, উপৰোক্ত কাৰণ সমূহৰ পৰিপেক্ষিত্বত ভংগ হোৱা প্ৰতিষ্ঠানটোৰ সন্দৰ্ভত কোনো হিচাপ লোৱাৰ প্ৰয়োজন নোহোৱাকৈ ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত প্ৰতিষ্ঠানটো ভংগ কৰা হৈছিল।

এই নিৰ্ণয়ৰ ভিত্তিত বিচাৰ আদালতে এই সিদ্ধান্তত উপনীত হয় যে প্ৰদৰ্শক এ-২ৰ অধীনত স্থাপিত অংশীদাৰিত্ব প্ৰতিষ্ঠানটো একাউন্ট নিষ্পত্তিৰ লগে লগে ভংগ কৰা হয়। ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীৰ প্ৰদৰ্শক বি-১ৰ অধীনৰ চুক্তিখন বিবাদী-বাদী, মৃত ৰাজা ৰামলিংগ ৰাজা আৰু অন্যান্যৰ মাজত স্থাপন হোৱাৰ পিছত প্ৰতিবাদী-বাদীসকলে চলোৱা ব্যৱসায়ৰ সৈতে আপীলকাৰীৰ কোনো সম্পৰ্ক নাই।

বিচাৰ আদালতে তলত দিয়া তথ্যসমূহো প্ৰকাশ কৰে-

"বাদীসকলৰ সৈতে বিবাদীয়ে পৰৱৰ্তী ৰিটাৰ্ণত স্বাক্ষৰ কৰিছিল নে নাই সেইটো প্ৰদৰ্শন কৰিবলৈ কোনো নথি দাখিল কৰা হোৱা নাছিল।" সকলো প্ৰমাণ পৰীক্ষা কৰাৰ পিছত দেখা যায় যে, ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত সকলো অংশীদাৰৰ সহমতত পূৰ্বৰ প্ৰতিষ্ঠানটো ভংগ কৰা হৈছিল। বাদীসকলে প্ৰদৰ্শক বি-১ত বৰ্ণনা কৰা ধৰণে নতুন অংশীদাৰিত্ব আৰম্ভ কৰিছে আৰু পুৰণি প্ৰতিষ্ঠানটোৰ দৰেই একেটা ব্যৱসায় চলাই আছে।

তথাপিও, বাদীসকলৰ সৈতে প্ৰতিবাদীয়ে পৰৱৰ্তী ৰিটাৰ্ণত স্বাক্ষৰ কৰিছিল নে নাই সেইটো প্ৰমাণ কৰিবলৈ কোনো নথি দাখিল কৰা হোৱা নাছিল। সকলো প্ৰমাণ বিশ্লেষণ কৰিলে স্পষ্ট হৈ পৰে যে ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত সকলো অংশীদাৰৰ পাৰস্পৰিক সন্মতি সাপেক্ষে পুৰণি প্ৰতিষ্ঠানটো ভংগ কৰা হৈছিল। তাৰ পিছত বাদীসকলে প্ৰদৰ্শনী বি-১ত

বিশদভাৱে উল্লেখ কৰা অনুসৰি এটা নতুন অংশীদাৰিত্ব প্ৰতিষ্ঠান আৰম্ভ কৰিলে আৰু পুৰণি প্ৰতিষ্ঠানটোৰ দৰেই একে ব্যৱসায়িক কাৰ্য্যকলাপ অব্যাহত ৰাখিলে। উচ্চ ন্যায়ালয়ে এই ধাৰণাৰে আগবাঢ়ে যে যদিও পুৰণি প্ৰতিষ্ঠানটো ভংগ কৰা হৈছিল, যাৰ ফলত ব্যৱসায়িক কাৰ্য্যকলাপ বন্ধ হৈ গৈছিল, আৰু নতুন প্ৰতিষ্ঠানটোৱে সম্ভৱতঃ একে ধৰণে ব্যৱসায় আৰম্ভ কৰিছিল, তথাপিও আনুষ্ঠানিকভাৱে ভংগ আৰু একাউণ্ট নিষ্পত্তি নোহোৱালৈকে পুৰণি প্ৰতিষ্ঠানটো স্বয়ংক্ৰিয়ভাৱে ভংগ হৈছিল বুলি অনুমান কৰিব নোৱাৰি । এই ক্ষেত্ৰত, যিহেতু এইটো এটা লাভজনক ব্যৱসায়, আপীলকাৰীয়ে ইয়াক ভংগ কৰিবলৈ সন্মতি দিয়াৰ সম্ভাৱনা কম যেন লাগে। ইয়াক সমৰ্থন কৰিবলৈ উচ্চ ন্যায়ালয়ে ১৯৬৬ চনৰ পৰা ১৯৭০-৭১ চনলৈকে আয়কৰ ৰিটাৰ্ণ, প্ৰদৰ্শক এ-৪ৰ পৰা এ-৯লৈকে নিৰ্ভৰ কৰিছিল । ইয়াৰ ভিত্তিত এই সিদ্ধান্ত লোৱা হয় যে ১৯৭২ চনৰ ৩১ মে'ত অংশীদাৰসকলৰ এজন, অৰ্থাৎ ৰাজা ৰামলিংগ ৰাজাৰ মৃত্যুৰ পিছত এই প্ৰতিষ্ঠানটো ভংগ কৰা হয়; যিহেতু হিচাপ নিষ্পত্তি হোৱা নাছিল, গতিকে নিষ্পত্তিৰ পিছত হোৱা লাভ আৰু লোকচানৰ হিচাপ দিয়াৰ বাবে আপীলকাৰীক দায়বদ্ধ বুলি গণ্য কৰা হৈছিল, আৰু অংশীদাৰিত্ব প্ৰতিষ্ঠানত তেওঁৰ অংশৰ অনুপাতত যিকোনো লোকচান বহন কৰিবলৈ দায়বদ্ধ বুলি গণ্য কৰা হৈছিল।

প্ৰশ্নটো হৈছে– উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা মতামত আইন মতে শুদ্ধ নে ? উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা দৃষ্টিভংগীক সমৰ্থন কৰিব পাৰি নেকি সেইটো নিৰ্ণয় কৰিবলৈ আমি প্ৰমাণসমূহ পৰ্যালোচনা কৰিছো। এইটো স্পষ্ট যে প্ৰদৰ্শক ক–২, অংশীদাৰী প্ৰতিষ্ঠানটো পূৰ্বতে উল্লেখ কৰা দুজন ব্যক্তি আৰু আপীলকাৰীৰে গঠিত। ১৯৭০ চনৰ ১৫ ফেব্ৰুৱাৰীত প্ৰদৰ্শক বি–১ৰ অধীনত আন এটা অংশীদাৰী প্ৰতিষ্ঠান স্থাপন কৰা হয়, য'ত দুয়োজন অংশীদাৰ আৰু তেওঁলোকৰ পুত্ৰক অন্তৰ্ভুক্ত কৰা হয়। নতুন প্ৰতিষ্ঠানটোৱে একেটা চৌহদতে একে কাম আৰম্ভ কৰিছিল, একে ব্যৱসায়িক কাৰ্য্যকলাপ চলাইছিল আৰু প্ৰতিষ্ঠানৰ পঞ্জীয়কৰ ওচৰত একেটা পঞ্জীয়ন নম্বৰ ৰাখিছিল। উচ্চ ন্যায়ালয়ে সঠিকভাৱে জোৰ দিয়াৰ দৰে এইটো সত্য যে আইন অনুসৰি কেৱল বাণিজ্যিক কাৰ্য্যকলাপ বন্ধ কৰিলেই অংশীদাৰী প্ৰতিষ্ঠান এটা বিলুপ্ত নহয়, যেতিয়ালৈকে প্ৰতিষ্ঠানটো নিজৰ অধিকাৰ আৰু দায়বদ্ধতাৰ পৰা মুক্ত নহয় আৰু হিচাপ নিষ্পত্তি নহয়। ইয়াৰ ওপৰত আৰু গুৰুত্ব দিয়াৰ প্ৰয়োজন নাই। এই গোচৰত দেখা যায় যে, উত্তৰদাতাসকলে প্ৰদৰ্শক বি–১ৰ অধীনত এটা নতুন অংশীদাৰী প্ৰতিষ্ঠান স্থাপন কৰিছিল আৰু প্ৰথম দুজন অংশীদাৰ আৰু আপীলকাৰীয়ে পূৰ্বে কৰা দৰে একে ব্যৱসায়িক কাৰ্য্যকলাপ অব্যাহত ৰাখিছিল। বিচাৰ আদালতে গ্ৰহণ কৰা এইটো এটা বিশেষ গোচৰ আৰু পৰিস্থিতি বিবেচনা কৰি আমি এই সিদ্ধান্তত উপনীত হোৱাটো যুক্তিসংগত বুলি বিবেচনা কৰোঁ যে আপীলকাৰীয়ে তেওঁৰ

বয়স বৃদ্ধিৰ হোৱা বাবে ব্যৱসায়ৰ পৰা আঁতৰি আহিছিল, ফাৰ্মখনৰ goodwill অংশীদাৰিত্বৰ তেওঁৰ প্ৰাপ্য অধিকাৰ ত্যাগ কৰিছিল আৰু অংশীদাৰসকলে পুৰণি অংশীদাৰিত্বৰ দায়িত্ব ল'বলৈ সন্মত হৈছিল, লগতে ফাৰ্মখনৰ goodwill তেওঁৰ অংশৰ বাবে আপীলকাৰীক পাবলগীয়া ধনৰ বিপৰীতে যিকোনো লোকচানৰ ক্ষতিপূৰণ বহন কৰিছিল। ফলস্বৰূপে, ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত অংশীদাৰী প্ৰতিষ্ঠানটো বুজাপৰাৰ মাজেৰে ভংগ কৰা হয়। ফলস্বৰূপে, ১৯৭০ চনৰ ১৪ ফেব্ৰুৱাৰীত প্ৰদৰ্শক বি-১ৰ অধীনত নতুন অংশীদাৰিত্ব স্থাপন কৰা হয়, আৰু আপীলকাৰী ইয়াৰ অংশীদাৰ নাছিল; তদুপৰি, তাৰপিছৰ ব্যৱসায়ৰ পৰা আহৰণ কৰা কোনো ধৰণৰ লাভালাভ তেওঁক দিয়া হৈছিল বুলি তেওঁলোকে দাবী কৰা নাই। এনে পৰিস্থিতিত উচ্চ ন্যায়ালয়ে প্ৰদৰ্শক এ-৪ৰ পৰা এ-১০লৈকে ৰিটাৰ্ণ আৰু অন্যান্য নথি-পত্ৰসমূহ বিবেচনা কৰি ১৯৭০-৭১ চনৰ হিচাপ-নিকাচ বৰ্ষৰ পিছৰ অংশীদাৰিত্বৰ অংশীদাৰ আছিল বুলি সিদ্ধান্ত লোৱাটো উপযুক্ত নাছিল। বিবেচনা কৰিব পৰা একমাত্ৰ প্ৰাসংগিক প্ৰমাণটো হ'ল আপীলকাৰীয়ে ১৯৭০ চনৰ ফেব্ৰুৱাৰী মাহৰ পিছৰ কোনো ৰিটাৰ্ণত স্বাক্ষৰ কৰিছিল নে বা স্বীকাৰ কৰিছিল নেকি, বিশেষকৈ ১৯৭১-৭২ আৰু ১৯৭২-৭৩ চনৰ হিচাপ-নিকাচৰ বৰ্ষৰ বাবে। ফাৰ্মখনৰ অংশীদাৰ হিচাপে তেওঁৰ দায়িত্বৰ কোনো প্ৰমাণ দাখিল কৰা হৈছে বুলি কোনো ইংগিত পোৱা নাই। সেয়েহে, উচ্চ ন্যায়ালয়ে গ্ৰহণ কৰা এই সিদ্ধান্ত যে, প্ৰদৰ্শক এ-২ৰ অধীনত

স্থাপিত পুৰণি প্ৰতিষ্ঠানটো ৰাজা ৰামলিংগ ৰাজাৰ মৃত্যুৰ পিছত এতিয়াও কাৰ্যক্ষম হৈ থকা বাবে বিত্তীয় কাৰ্যকলাপৰ বিশদ প্ৰতিবেদন বা ৰেকৰ্ড প্ৰদান কৰাৰ বাবে আপীলকাৰী দায়বদ্ধ, সঠিক নহয়।

সেয়েহে আপীল মঞ্জুৰ কৰা হ'ল। উচ্চ ন্যায়ালয়ৰ ৰায়দান আৰু ডিক্ৰী বাতিল কৰা হয়, আৰু বিচাৰ আদালতৰ ৰায়দান সমৰ্থন কৰা হয় অৱশ্যে, পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কোনো ধৰণৰ খৰচ আৰোপ কৰা হোৱা নাই।

---

অনুবাদ–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।”